CODE : 34T EDUC

# 2024

# EDUCATION

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. **1** carries **1** mark each* ........................................ | 1×12 = 12 |
| *Q. No. **2** carries **2** marks each* ........................................ | 2×12 = 24 |
| *Q. No. **3** carries **4** marks each* ........................................ | 4×10 = 40 |
| *Q. No. **4** carries **6** marks each* ........................................ | 6×4 = 24 |
| | Total = 100 |

1. Answer the following questions : *(any twelve)* 1×12=12

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো বাৰটা)*

- *Fill in the blanks :*

  *খালী ঠাই পূৰ কৰা ঃ*

(a) The Chairman of Secondary Education Commission of 1952–53 was ________.

১৯৫২-৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগৰ অধ্যক্ষ আছিল ________।

(b) Secondary education system of Assam was controlled by Calcutta University since ______ to 1948.

________ চনৰ পৰা ১৯৪৮ চনলৈকে অসমৰ মাধ্যমিক শিক্ষাৰ প্ৰশাসনৰ দায়িত্ব কলিকতা বিশ্ববিদ্যালয়ে গ্ৰহণ কৰিছিল।

(c) In the state of ________, the first Open University of India was established.

________ ত ভাৰতবৰ্ষৰ প্ৰথমখন মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

(d) Absence of direct contact between teacher and student is an important characteristic of ________ Education.

শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ প্ৰত্যক্ষ সম্পৰ্কৰ অনুপস্থিতি ______ শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য।

(e) A German biologist ________ introduced the concept of 'Environmental Consciousness' in 1869.

১৮৬৯ চনতেই _______ নামৰ এজন জাৰ্মান জীৱবিজ্ঞানীয়ে 'পৰিবেশ সচেতনতা'ৰ কথা উল্লেখ কৰিছিল।

(f) The concept of 'Population Education' was developed by the American sociologist ________.

'জনসংখ্যা শিক্ষা'ৰ ধাৰণাটো আমেৰিকাৰ সমাজতত্ত্ববিদ ________ য়ে দাঙি ধৰিছিল।

(g) 'Gestalt' is a German word which means '_______' or 'total pattern'.

'গেস্টাল্ট' এটা জাৰ্মান শব্দ যাৰ অৰ্থ হৈছে '_______' বা 'সম্পূৰ্ণ আকাৰ'।



(h) In a polygon, frequencies are plotted on ______ of the class intervals.

বহুভুজ অংকন কৰোঁতে বাৰংবাৰতাৰ মানসমূহ শ্ৰেণী অন্তৰালৰ ______ ৰ ওপৰত সংস্থাপন কৰা হয়।

- *Give short answer in **one** sentence :*

  ***এটা** বাক্যত উত্তৰ দিয়া ঃ*

(i) In which year Krishna Kanta Handique State Open University was established in Assam ?

কোন চনত অসমৰ কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল?

(j) From which year twelve-year school education course has been implemented in Assam ?

কোন চনৰ পৰা অসমৰ ১২-বছৰীয়া স্কুলীয়া শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে?

(k) In which year National Policy for the Empowerment of Women was adopted in India ?

কোন চনত ভাৰতবৰ্ষত মহিলাৰ সৱলীকৰণ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰা হৈছিল?

(l) "Learning is the modification of behaviour through experience and training." Who said this statement ?

"শিক্ষণ হৈছে অভিজ্ঞতা আৰু প্ৰশিক্ষণৰ যোগেদি কৰা আচৰণৰ সংশোধন কাৰ্য।" এই উক্তিষাৰ কোনে কৈছিল?

(m) Who propounded the theory of connectionism ?

শিক্ষণৰ সংযোগবাদ তত্ত্বৰ স্ৰষ্টা কোন আছিল?

(n) What is law of effect ?

শিক্ষণৰ ফলাফলৰ বা পৰিণামৰ নীতি কাক বোলে?

(o) "Interest is latent attention, and attention is interest in action." Who said this statement ?

"আগ্ৰহ মনোযোগৰ সুপ্ত অৱস্থা আৰু মনোযোগ আগ্ৰহৰ সক্ৰিয় অৱস্থা মাথোন।" এই উক্তিটো কাৰ?

(p) Write the formula for finding out mean by 'assumed mean' method.

'অনুমিত গড়' পদ্ধতিকে গড় নিৰ্ণয় কৰা সূত্ৰটো লিখা।

2. Answer *any twelve* of the following questions : 2×12=24
তলত দিয়া *যিকোনো বাৰটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) Mention *two* important impact of Kothari Commission on the Secondary Education of Assam.
অসমৰ মাধ্যমিক শিক্ষাত কোঠাৰী আয়োগৰ পৰামৰ্শৰ *দুটা* উল্লেখযোগ্য প্ৰভাৱ উল্লেখ কৰা।

(b) Write *two* importances of Non-formal Education.
অগতানুগতিক শিক্ষাৰ *দুটা* গুৰুত্ব বা প্ৰয়োজনীয়তা উল্লেখ কৰা।

(c) Write *two* differences between Formal Education and Non-formal Education.
আনুষ্ঠানিক শিক্ষা আৰু অগতানুগতিক শিক্ষাৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

(d) Mention *two* needs of population education.
জনসংখ্যা শিক্ষাৰ *দুটা* প্ৰয়োজনীয়তা উল্লেখ কৰা।

(e) Write *two* needs and importance of physical education.
শাৰীৰিক শিক্ষাৰ *দুটা* প্ৰয়োজনীয়তা আৰু গুৰুত্ব উল্লেখ কৰা।

(f) Write *two* relations between maturation and learning.
পৰিপক্কতা আৰু শিক্ষণৰ মাজত থকা *দুটা* সম্বন্ধ উল্লেখ কৰা।

(g) Write *two* subjective factors of learning.
শিক্ষণৰ *দুটা* অভ্যন্তৰীণ বা ব্যক্তিনিষ্ঠ চৰ্ত্ত উল্লেখ কৰা।

(h) What is habit memory ?
অভ্যাস স্মৃতি কাক বোলে?

(i) Write *two* mental causes of forgetting.
বিস্মৃতিৰ *দুটা* মানসিক কাৰণ উল্লেখ কৰা।

(j) What is voluntary or volitional attention ?
ঐচ্ছিক বা ইচ্ছাকৃত মনোযোগ কাক বোলে?

(k) Write *two* characteristics of interest.
আগ্ৰহৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(l) Write *any two* objectives of mental health.
মানসিক স্বাস্থ্যৰ *যিকোনো দুটা* উদ্দেশ্য উল্লেখ কৰা।

(m) Write *any two* aims of mental hygiene.
মানসিক স্বাস্থ্যবিজ্ঞানৰ *যিকোনো দুটা* লক্ষ্য উল্লেখ কৰা।



(n) What do you mean by measures of central tendency ?
কেন্দ্ৰীয় প্ৰৱণতাৰ জোখ বুলিলে কি বুজা?

(o) Calculate mean and mode from the following data : 1+1=2
তলত দিয়া তথ্যৰাশিৰ পৰা গড় আৰু বহুলক নিৰ্ণয় কৰা ঃ
30, 48, 56, 64, 78, 82, 60, 50, 56 and 46

3. Answer *any ten* of the following questions : 4×10=40
তলত দিয়া *যিকোনো দহটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(a) Discuss *four* aims of Secondary Education recommended by Mudaliar Commission.
মাধ্যমিক শিক্ষাৰ লক্ষ্য সম্পৰ্কে মুডালিয়াৰ আয়োগে আগবঢ়োৱা *চাৰিটা* পৰামৰ্শ আলোচনা কৰা।

(b) Write *four* objectives of Open Education.
মুক্ত শিক্ষাৰ *চাৰিটা* উদ্দেশ্য উল্লেখ কৰা।

(c) Write *four* characteristics of Open University.
মুক্ত বিশ্ববিদ্যালয়ৰ *চাৰিটা* বৈশিষ্ট্য উল্লেখ কৰা।

(d) Discuss *four* principles of Environmental Education.
পৰিবেশ শিক্ষাৰ *চাৰিটা* নীতি আলোচনা কৰা।

(e) Discuss *four* characteristics of Trial and Error method of learning.
প্ৰচেষ্টা আৰু ভুল শিক্ষণ পদ্ধতিৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

(f) Discuss *four* educational significance of learning by conditioning.
অনুবন্ধনৰ দ্বাৰা শিক্ষণৰ *চাৰিটা* শৈক্ষিক বা শিক্ষাগত তাৎপৰ্য আলোচনা কৰা।

(g) Discuss the marks of good memory.
ভাল স্মৃতিৰ লক্ষণসমূহ আলোচনা কৰা।

(h) Discuss *any four* characteristics of forgetting.
বিস্মৃতিৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

(i) Discuss *any four* objectives or external conditions of attention.
মনোযোগৰ *যিকোনো চাৰিটা* বাহ্যিক বা বস্তুনিষ্ঠ কাৰণ আলোচনা কৰা।

(j) Discuss the educational significance of attention and interest.
শিক্ষাক্ষেত্ৰত মনোযোগ আৰু আগ্ৰহৰ গুৰুত্ব আলোচনা কৰা।

(k) Define the meaning of mental health and hygiene.
মানসিক স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞানৰ অৰ্থ ব্যাখ্যা কৰা।

(*l*) Discuss the role of school in promoting proper mental health of a child.

এটি শিশুৰ উপযুক্ত মানসিক স্বাস্থ্যৰ বিকাশত বিদ্যালয়ৰ ভূমিকা আলোচনা কৰা।

(*m*) What is histogram ? Draw a histogram from the following distribution table : *(use graph paper)* 1+3=4

আয়তচিত্ৰ কাক বোলে? তলত দিয়া তালিকাৰ তথ্যসমূহৰ পৰা আয়তচিত্ৰ অংকন কৰা। *(লেখ কাগজ ব্যৱহাৰ কৰিবা)*

| Class Interval (শ্ৰেণী অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 90–99 | 2 |
| 80–89 | 4 |
| 70–79 | 6 |
| 60–69 | 8 |
| 50–59 | 12 |
| 40–49 | 7 |
| 30–39 | 5 |
| 20–29 | 4 |
| 10–19 | 2 |
| | *N* = 50 |

(*n*) What is bar diagram ? Discuss the different types of bar diagram with examples. 1+3=4

দণ্ড বা স্তম্ভ চিত্ৰ কাক বোলে? স্তম্ভ চিত্ৰৰ বিভিন্ন প্ৰকাৰসমূহ উদাহৰণৰ সৈতে আলোচনা কৰা।

4. Answer ***any four*** of the following questions : 6×4=24

তলত দিয়া ***যিকোনো চাৰিটা*** প্ৰশ্নৰ উত্তৰ দিয়া ঃ

(*a*) Discuss the suggestions of Kothari Commission regarding the structure and standard of education system in India.

ভাৰতবৰ্ষত শিক্ষা ব্যৱস্থাৰ সংগঠন আৰু মানদণ্ড সম্পৰ্কে কোঠাৰী আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী আলোচনা কৰা।

(*b*) Discuss the suggestions forwarded by 'National Education Policy-1986' regarding Secondary Education.

মাধ্যমিক শিক্ষা সম্পৰ্কে '১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত' উল্লেখ কৰা পৰামৰ্শসমূহ আলোচনা কৰা।



(*c*) What do you mean by Value Education ? Discuss the need and importance of Value Education in present social circumstances. 2+4=6

মূল্যবোধৰ শিক্ষা বুলিলে তুমি কি বুজা? বৰ্ত্তমান সামাজিক পৰিস্থিতিত মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব আলোচনা কৰা।

(*d*) What do you mean by woman empowerment ? Discuss the role of education in women empowerment. 2+4=6

মহিলা সৱলীকৰণ বুলিলে কি বুজা? মহিলা সৱলীকৰণত শিক্ষাৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(*e*) What do you mean by insightful method of learning ? Discuss the educational significance of insightful method of learning. 2+4=6

শিক্ষণৰ অন্তদৰ্শন পদ্ধতি বুলিলে তুমি কি বুজা? শিক্ষণৰ অন্তদৰ্শন পদ্ধতিৰ শৈক্ষিক তাৎপৰ্য্যৰ বিষয়ে আলোচনা কৰা।

(*f*) What is median ? Compute median from the following distribution table : 1+5=6

মধ্যমা কাক বোলে? তলত দিয়া বিভাজন তালিকাৰ পৰা মধ্যমা নিৰ্ণয় কৰা ঃ

| Class Interval (শ্ৰেণী অন্তৰাল) | Frequency (বাৰংবাৰতা) |
|---|---|
| 80–84 | 2 |
| 75–79 | 4 |
| 70–74 | 5 |
| 65–69 | 7 |
| 60–64 | 10 |
| 55–59 | 12 |
| 50–54 | 8 |
| 45–49 | 5 |
| 40–44 | 3 |
| 35–39 | 2 |
| 30–34 | 2 |
| | *N* = 60 |

———×———